Total No. of Printed Pages—3

**6 SEM TDC ASM M 2**

**2016**

( May )

ASSAMESE

( Major )

Course : 602

**( ভাৰতীয় আৰ্যভাষা আৰু অসমীয়া ভাষা )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অসমীয়ালৈ অনুবাদ কৰাঁ (যি কোনো চাৰি অংশ) : ৩×৪=১২

(ক) অজ্ঞঃ সুখমাৰাধ্যঃ সুখতৰমাৰাধ্যতে ৱিশেষজ্ঞঃ।
জ্ঞানলৱদুৰ্ৱিদগ্ধং ব্ৰহ্মাপি তং নৰং ন ৰঞ্জয়তি॥

(খ) বহুকং হি দোসং সমাজম্হি পসতি দেৱানংপ্ৰিয়ো প্ৰিয়দসি ৰাজা।

(গ) অথি পি তু একচা সমাজা সাধুমতা দেৱানং প্ৰিয়স প্ৰিয়দসিনো ৰাঞো।

(ঘ) উত্থানৱতো <u>সতিমতো</u> সুচিকম্মস্স নিসম্মকাৰিনো।
সঞ্ঞতস্স চ ধম্মজীৱিনো অপ্পমত্তস্স যসোভিবড়্ঢতি॥

(ঙ) <u>সত্তসআইং</u> কই-বচ্ছলেণ কোডীঅ মজ্ঝআৰম্মি।
হালেন বিৰইআইং সালংকাৰাণং গাহাণং॥

(চ) তহ তনত্ত কুলকমলো <u>পাইঅ</u> কব্বেসুগীয় বিসয়েসু।
অদ্দহমানপসিদ্ধো সংনেহৰাসয়ং ৰইয়ং॥

২। উল্লিখিত ১নং প্ৰশ্নৰ তলত আঁচটনা শব্দবোৰৰ মাজৰ পৰা বাছি লৈ যি কোনো তিনিটা শব্দৰ সংস্কৃত ৰূপটো লিখাঁ। ৩

৩। (ক) ভাৰতীয় আৰ্যভাষা বুলিলে কি বুজা? এই ভাষাৰ বিকাশৰ স্তৰকেইটা উল্লেখ কৰি যি কোনো এটি স্তৰৰ বিষয়ে আলোচনা কৰাঁ। ২+৩+৯=১৪

*অথবা*

(খ) ভাৰতীয় আৰ্যভাষাৰ দ্বিতীয় স্তৰত বিকাশ লাভ কৰা যি কোনো এটা ভাষাৰ বিষয়ে আলোচনা কৰি ভাষাতাত্ত্বিক বিশেষত্বসমূহ আলোচনা কৰাঁ। ১৪

৪। (ক) সংস্কৃত স্বৰধ্বনিসমূহৰ মূল কি? পালি-প্ৰাকৃত ভাষাত সেইবোৰ কেনেদৰে ৰক্ষিত হৈছে, তালিকাসহ দেখুৱাই এটি আলোচনা আগবঢ়োৱাঁ। ১+১৪=১৫

*অথবা*

(খ) সংস্কৃত সন্ধি আৰু পালি সন্ধিৰ বিষয়ে এটি তুলনামূলক আলোচনা আগবঢ়োৱাঁ। ১৫

৫। অসমীয়া ভাষাৰ উদ্ভৱ সম্পৰ্কে বিভিন্ন পণ্ডিতে আগবঢ়োৱা মতসমূহ উল্লেখ কৰি এটি গ্ৰহণযোগ্য মতামত দাঙি ধৰাঁ। ১৪

৬। চমু টোকা লিখাঁ (যি কোনো চাৰিটা) : ৪×৪=১৬

(ক) চৰ্যাপদৰ ভাষা

(খ) বুৰঞ্জীৰ ভাষা

(গ) চৰিত-পুথিৰ ভাষা

(ঘ) জোনাকী স্তৰৰ ভাষাগত বৈশিষ্ট্য

(ঙ) সাম্প্ৰতিক স্তৰৰ অসমীয়া ভাষা

৭। চমু উত্তৰ দিয়াঁ : ১×৬=৬

(ক) 'গাহাসত্তসঈ' কোন্ সময়ৰ ৰচনা ?

(খ) প্ৰথম প্ৰাকৃত ব্যাকৰণখনৰ নাম কি ?

(গ) মাগধী প্ৰাকৃতৰ এটা উপভাষাৰ নাম লিখাঁ।

(ঘ) "সংস্কৃতেই প্ৰকৃতি, তাৰ পৰা উৎপন্ন হোৱা ভাষাই প্ৰাকৃত।" কথাষাৰৰ বক্তাজনৰ নাম কি ?

(ঙ) 'ধম্মপদ' কোনখন পিটকৰ অন্তৰ্ভুক্ত ?

(চ) 'সন্দেশ ৰাসক'ৰ অপভ্ৰংশ ৰূপটি লিখাঁ।

★★★